**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 13-06-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে চাৰিদিনীয়া ভ্ৰমণসূচীৰে ফ্ৰান্স আৰু শ্ল’ভাকিয়া অভিমুখে ৰাওনা হৈছে।

২। বৈদেশিক পৰিক্ৰমা মন্ত্ৰ্যালয়ে লিয়াকি ফ্ৰীডম নামৰ জাহাজখনত থকা ভাৰতীয় নাৰিকসকলৰ মৃত্যু হোৱা বুলি ওলোৱা বাতৰি খণ্ডন কৰিছে।

৩। যোৰহাটৰ ৰৰৈয়াৰ বায়ুসেনা ঘাটিত আজি পুৱা বায়ুসেনাৰ AN-32 শ্ৰেণীৰ এখন পৰিবহণ বিমান দুৰ্ঘটনাত পতিত হয়।

৪। ‘বেটী বচাও, বেটী পঢ়াও’ অভিযান ছোৱালী সৰলীকৰণ আৰু আচৰণ সলনিৰ ৰাষ্ট্ৰজোৰা বিপ্লৱৰূপে পৰিগণিত হৈছে।

আৰু

৫। বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত আজি গ্ৰুপ-ডিৰ এখন খেলত আমেৰিকা যুক্তৰাষ্ট্ৰই পেৰাগুৱেক ৪-১ গ’লত পৰাস্ত কৰে।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী চাৰিদিনীয়া ভ্ৰমণসূচীৰে ফ্ৰান্স আৰু শ্লোভাকিয়া অভিমুখে ৰাওনা হৈছে। ভ্ৰমণৰ পূৰ্বে প্ৰকাশ কৰা এটা বিবৃতিত শ্ৰী মোদীয়ে কয়, যে ভাৰতৰ কৌশলগত দৃষ্টিভংগীৰ ক্ষেত্ৰত ফ্ৰান্সে গুৰুত্বপূৰ্ণ ভূমিকা বহন কৰি আহিছে। তেওঁৰ এই ভ্ৰমণে দেশ দুখনৰ মাজৰ অৰ্থনৈতিক আৰু সাংস্কৃতিক সম্পৰ্ক অধিক গাঢ় কৰি তুলিব বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে। আনহাতে শ্লোভাকিয়াক ইউৰোপৰ গুৰুত্বপূৰ্ণ সদস্য ৰাষ্ট্ৰ বুলি অভিহিত কৰি তেওঁ লগতে এই ভ্ৰমণে ইউৰোপীয় সংঘৰ সৈতে ভাৰতৰ কৌশলগত সহযোগিতা অধিক শক্তিশালী কৰি তুলিব বুলিও আশা ব্যক্ত কৰে।

চৰকাৰী তথ্যত প্ৰকাশ পোৱা মতে ভাৰতীয় মান সময় অনুসৰি আজি নিশা প্ৰায় চাৰে ১০ বজাত প্ৰধানমন্ত্ৰীগৰাকীয়ে নিছত অৱতৰণ কৰাৰ সম্ভাৱনা আছে। ফ্ৰান্স ভ্ৰমণৰ সময়ছোৱাত শ্ৰীমোদীয়ে এভিয়াওঁ-ত হ’বলগীয়া জি-ছেভেন শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰাৰ লগতে ফ্ৰান্স আৰু ভাৰতৰ কৌশলগত সহযোগিতা শক্তিশালী কৰাৰ লগতে দ্বিপাক্ষিক আলোচনাতো অংশগ্ৰহণ কৰিব। পৰৱৰ্তী পৰ্যায়ত তেওঁ শ্লোভাকিয়া ভ্ৰমণ কৰাৰ সময়ত বিভিন্ন গুৰুত্বপূৰ্ণ খণ্ডত দ্বিপাক্ষিক সম্পৰ্ক ত্বৰান্বিত কৰাৰ উদ্দেশ্যে দেশখনৰ নেতৃবৰ্গৰ সৈতে বৈঠকত ভাগ ল’ব।

উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰী গৰাকী নীছত উপস্থিত হোৱাৰ পূৰ্বেই তেওঁৰ ভ্ৰমণক লৈ ভাৰতীয় মূলৰ লোকসকলৰ লগতে ষ্টাৰ্ট আপৰ প্ৰতিষ্ঠাতা আৰু বাণিজ্য খণ্ডৰ নেতৃস্থানীয় ব্যক্তিসকলে আগ্ৰহ প্ৰকাশ কৰিছে। ইয়াৰ ফলত ইউৰোপত সামগ্ৰিকভাৱে ভাৰতৰ গুৰুত্ব অধিক বৃদ্ধি হ’ব বুলি আশা কৰা হৈছে। আকাশবাণীৰ সংবাদদাতাই জানিবলৈ দিয়া মতে ভাৰতীয় মূলৰ লোকসকলে প্ৰধানমন্ত্ৰী মোদীৰ সৈতে মত বিনিময় কৰিবলৈ আগ্ৰহেৰে অপেক্ষা কৰাকে ধৰি তেওঁক আদৰিবৰ বাবে বিভিন্ন মহলত ব্যাপক প্ৰস্তুতি পৰিলক্ষিত হৈছে।

(বাইট ঃ শৈলেশ)

প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি যে, ভাৰত আৰু ফ্ৰান্সৰ জনসাধাৰণৰ মাজত পূৰ্বৰে পৰাই সৌহাৰ্দ্যপূৰ্ণ সম্পৰ্ক আছে। সম্প্ৰতি ফ্ৰান্সত প্ৰায় ১০ হাজাৰ গৰাকী ভাৰতীয় ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰি থকাৰ লগতে ২০৩০ চনৰ ভিতৰত এই সংখ্যা ৩০ হাজাৰলৈ বৃদ্ধি কৰাৰ  বাবে দুয়োখন দেশেই ব্যৱস্থা গ্ৰহণ কৰিছে। আকাশবাণীৰ সৈতে হোৱা কথা-বতৰাত ফ্ৰান্সত থকা ভাৰতৰ ৰাষ্ট্ৰদূত সঞ্জীৱ ছ্যাংলাই কয়, যে প্ৰধানমন্ত্ৰী মোদীৰ ফ্ৰান্স ভ্ৰমণে দুয়োখন দেশৰ জনসাধাৰণৰ মাজৰ পাৰস্পৰিক সম্পৰ্ক অধিক গভীৰ কৰি তুলিব বুলি আশা কৰা হৈছে।

আনহাতে আকাশবাণীৰ ব্ৰাটিছলাভাৰ সংবাদদাতাই জনোৱা মতে ভাৰতৰ প্ৰধানমন্ত্ৰীগৰাকীৰ প্ৰথমটো শ্ল’ভাকিয়া ভ্ৰমণৰ পৰিপ্ৰেক্ষিতত ৰাজধানী চহৰখনত সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈছে। এই ভ্ৰমণকালত শ্ৰীমোদী শ্ল’ভাক প্ৰধানমন্ত্ৰী ফিকোৰ সৈতে আলোচনাত মিলিত হ’ব আৰু কৌশলগত সহযোগিতাৰ নতুন নতুন খণ্ডৰ অন্বেষণ কৰিব। প্ৰধানমন্ত্ৰীগৰাকীয়ে লগতে দেশখনৰ ৰাষ্ট্ৰপতি পেলেগ্ৰীনিক সাক্ষাৎ কৰিব। ভাৰত আৰু শ্ল’ভাক ৰিপাব্লিকৰ মাজৰ দ্বিপাক্ষিক বাণিজ্য নিৰন্তৰ বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত প্ৰধানমন্ত্ৰী মোদীৰ এই ভ্ৰমণে বিশেষ গুৰুত্ব বহন কৰিছে।

ooooooooo

যোৰহাটৰ ৰৰৈয়াৰ বায়ুসেনা ঘাটিত আজি পুৱা বায়ুসেনাৰ AN-32 শ্ৰেণীৰ এখন পৰিবহণ বিমান দুৰ্ঘটনাত পতিত হয়। বায়ুসেনাই প্ৰকাশ কৰা মতে দুৰ্ঘটনাৰ সঠিক কাৰণ নিশ্চিত কৰাৰ বাবে এখন কমিটী গঠন কৰা হৈছে।

ooooooooo

দেশৰ যুৱ প্ৰজন্মই বিজ্ঞান প্ৰযুক্তিৰ পৰা নিৰ্মাণ, মহাকাশ, ছেমি কণ্ডাক্টৰ আৰু ড্ৰোণলৈকে বিভিন্ন ক্ষেত্ৰত উল্লেখযোগ্য সাফল্য অৰ্জন কৰিবলৈ সমৰ্থ হৈছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। শ্ৰী মোদীয়ে সামাজিক মাধ্যমযোগে কয়, যে ভাৰত সম্প্ৰতি বিশ্বৰ আগশাৰীৰ ষ্টাৰ্টআপ কেন্দ্ৰসমূহত অন্যতমৰূপে পৰিগণিত হৈছে আৰু সৰু চহৰ তথা গাঁৱৰ যুৱক-যুৱতীসকলে এইক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। ক্ৰীড়াৰ ক্ষেত্ৰত দেশৰ বাবে গৌৰৱ কঢ়িয়াই অনাৰ বাবে যুৱক-যুৱতীসকলক প্ৰশংসা কৰি শ্ৰী মোদীয়ে কয়, যে ভাৰতীয় খেলুৱৈসকলে আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাত দেশৰ মৰ্যাদা বৃদ্ধি কৰিছে। তেওঁ কয়, যে ষ্টাৰ্টআপ ইণ্ডিয়া, ডিজিটেল ইণ্ডিয়া, স্কীল ইণ্ডিয়া আৰু অটল ইন’ভেচনৰ দৰে উদ্যমসমূহে উদ্যমশীলতা আৰু উদ্ভাৱনৰ প্ৰসাৰৰ ক্ষেত্ৰত সহায় কৰিছে। শ্ৰী মোদীয়ে কয়, যে বিগত ১২ বছৰত এন ডি এ চৰকাৰে যুৱ প্ৰজন্মৰ নেতৃত্বত হোৱা বিকাশৰ প্ৰতি উদগনি যোগাই আহিছে আৰু ইয়াৰ ফলত দেশৰ যুৱক-যুৱতীসকলৰ আত্ম-বিশ্বাস বৃদ্ধি পাইছে আৰু নিজৰ সপোন বাস্তৱায়িত কৰিবলৈ সমৰ্থ হৈছে।

ooooooooo

বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে লিয়াকি ফ্ৰীডম নামৰ জাহাজখনত থকা ভাৰতীয় নাৱিকসকলৰ মৃত্যু হোৱা বুলি ওলোৱা বাতৰি খণ্ডন কৰিছে। মন্ত্ৰালয়ে আজি প্ৰকাশ কৰা মতে ই জাহাজখনৰ কেপ্তেইনসকলৰ সৈতে কথা পাতিছে আৰু কেপ্তেইনগৰাকীয়ে জাহাজখনৰ চালকদলৰ সকলো সদস্য নিৰাপদে থকা বুলি জানিবলৈ দিছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ তথ্য পৰীক্ষণ গোটে জনসাধাৰণক এনেধৰণৰ ভুৱা আৰু ভিত্তিহীন দাবীৰ বিৰুদ্ধে সতৰ্ক হৈ থাকিবলৈ আহ্বান জনাইছে।

ooooooooo

‘বেটী বচাও, বেটী পঢ়াও’ অভিযান ছোৱালী সৱলীকৰণ আৰু আচৰণ সলনিৰ ৰাষ্ট্ৰজোৰা বিপ্লৱৰূপে পৰিগণিত হৈছে। ক্ৰমান্বয়ে হ্ৰাস পোৱা শিশু লিংগ অনুপাত আৰু লিংগ আধাৰিত বৈষম্য দূৰ কৰাৰ উদ্দেশ্যে ২০১৫ চনৰ জানুৱাৰীত আৰম্ভ কৰা এই আঁচনিখনৰ জৰিয়তে ছোৱালীৰ শিক্ষা সুৰক্ষা সুনিশ্চিত কৰাৰ বাবে চলোৱা প্ৰচেষ্টা সুদৃঢ় কৰি তোলা হৈছে।

বিগত দশকত গুৰুত্বপূৰ্ণ লিংগ সূচকৰ উন্নয়নৰ ক্ষেত্ৰত এই অভিযানে গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াইছে বুলি মহিলা আৰু শিশু বিকাশ মন্ত্ৰ্যালয়ে প্ৰকাশ কৰিছে। মন্ত্ৰ্যালয়ে প্ৰকাশ কৰা মতে বিগত ১০ বছৰত জন্মৰ সময়ত লিংগ অনুপাত প্ৰতি এহেজাৰ ল'ৰাৰ বিপৰীতে ৯১৮ৰ পৰা ৯২৯ লৈ বৃদ্ধি পাইছে। একেদৰে মাধ্যমিক পৰ্যায়ত ছোৱালীৰ নামভৰ্তি প্ৰায় ৭৫ শতাংশৰ পৰা ৮০ শতাংশলৈ বৃদ্ধি পাইছে।

000000000

ভাৰত আৰু জাৰ্মানীৰ মাজৰ উন্নয়নমূলক সহযোগিতা আগবঢ়াই নিয়াৰ উদ্দেশ্যে নীতি আয়োগ আজি নতুন দিল্লীত জাৰ্মান প্ৰতিনিধি দলৰ সৈতে এখন বৈঠকত মিলিত হয়। বৈঠকত নিকা শক্তি, পৰিৱেশ সংৰক্ষণ, স্থায়ী বিকাশ, কৃষি সংস্কাৰ, জল ব্যৱস্থাপনা আৰু সেউজ অৰ্থনীতিত ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰ অংশগ্ৰহণৰ দৰে বিষয়সমূহক লৈ আলোচনা কৰা হয়। দুয়োপক্ষৰ জলবায়ু পৰিৱৰ্তনৰ বিৰূপ প্ৰভাৱ ৰোধ কৰা আৰু নিৰন্তৰ বিকাশৰ বাবে পাৰস্পৰিক সহযোগিতা সুদৃঢ় কৰা সম্পৰ্কে মত পোষণ কৰে।

00000000

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে নতুনকৈ নিযুক্তি লাভ কৰা ভাৰতীয় বায়ু সেনাৰ বিষয়াসকলক পৰিৱৰ্তনশীল নিৰাপত্তাজনিত পৰিস্থিতিৰ সৈতে নিজকে খাপ খুৱাই ড্ৰোন, কৃত্ৰিম উপগ্ৰহ আৰু ৰবটিক্সকে ধৰি সমৰ প্ৰযুক্তিৰ নিত্য নতুন কৌশলৰ সৈতে পৰিচিত হ'বলৈ আগবাঢ়ি যাবলৈ আহ্বান জনাইছে। হায়দৰাবাদৰ দুন্দিগালত অৱস্থিত এয়াৰ ফ'ৰ্চ একাডেমীৰ ২১৭ সংখ্যক পাঠ্যক্ৰম সমাপ্তি উপলক্ষে আয়োজিত পেৰেডত ভাগ লৈ তেওঁ এইদৰে জনায়।

00000000

ফিফা বিশ্বকাপত আজি পুৱা লজ এঞ্জেল্‌ছৰ ছ'ফি ষ্টেডিয়ামত অনুষ্ঠিত গ্ৰুপ-ডিৰ এখন খেলত আমেৰিকা যুক্তৰাষ্ট্ৰই পেৰাগুৱেক ৪-১ গ'লত পৰাস্ত কৰে। আমেৰিকা যুক্তৰাষ্ট্ৰই খেলৰ আৰম্ভণিতে পেৰাগুৱেৰ ডামিয়ন বোবাডিলাৰ আত্মঘাটী গ'লেৰে অগ্ৰগতি লাভ কৰে। ইয়াৰ পাছত খেলৰ ৩১ মিনিটত ষ্ট্ৰাইকাৰ ফোলাৰিন বেলোগুনৰ গ'লেৰে আমেৰিকাই অগ্ৰগতি ২-০ লৈ বৃদ্ধি কৰিবলৈ সমৰ্থ হয়। খেলখনৰ মধ্যাহ্ন বিৰতিৰ ঠিক পূৰ্বে বেলোগুনে দলৰ হৈ দ্বিতীয়টো গ'ল দিয়ে।

ইয়াৰ পূৰ্বে যোৱা নিশা টৰণ্টো ষ্টেডিয়ামত অনুষ্ঠিত ব'ছনিয়া—হাৰ্জেগভিনাৰ বিৰুদ্ধে গ্ৰুপ বিৰ এখন খেল ১-১ গ'লত ড্ৰ' হোৱাত সহ-আয়োজক দেশ কানাডাই প্ৰথমটো পইণ্ট অৰ্জন কৰে। ব'ছনিয়াই খেলখনৰ ২১ মিনিটত প্ৰথমটো গ'ল দিয়াৰ বিপৰীতে কানাডাই ৭৮ মিনিটত প্ৰথমটো গ'ল দিয়ে।

প্ৰতিযোগিতাত আজি নিশা চাৰে ১২ বজাত হ'বলগীয়া গ্ৰুপ বিৰ এখন খেলত কাটাৰ ছুইজাৰলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। পুৱতিনিশা চাৰে ৩ হ'বলগীয়া গ্ৰুপ চিৰ এখন খেলত ব্ৰাজিল মৰক্কোৰ সন্মুখীন হ'ব। কাইলৈ পুৱা চাৰে ৬ বজাত হ'বলগীয়া গ্ৰুপ চিৰ আন এখন খেলত হাইটি স্কটলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

00000000

হিমাচল প্ৰদেশৰ ধৰমশালাত হ'বলগীয়া ভাৰত আৰু আফগানিস্তানৰ মাজৰ তিনিখনীয়া এদিনীয়া আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল আৰম্ভ হোৱাত বৰষুণৰ বাবে কিছু বিলম্ব ঘটিছে। এতিয়ালৈকে টছ সম্পন্ন হোৱা নাই।

শুভমন গীলে ভাৰতীয় দলক নেতৃত্বত দিছে। বিৰাট কোহলিক আঘাতৰ বাবে এই শৃংখলাৰ পৰা বাদ দিয়া হৈছে। শৃংখলাৰ দ্বিতীয়খন খেল অহা ১৭ জুনত লক্ষ্ণৌত আৰু তৃতীয় তথা অন্তিমখন খেল অহা ২০ জুনত চেন্নাইত অনুষ্ঠিত হ'ব।

00000000

সমাপ্ত